অনাতাঁৰ ধাৰাৱাহিক ৫২ খণ্ড
বহনক্ষম বিকাশৰ বাবে, -
অবিৰাম বিকাশৰ অবিৰত খোজ... ড° ৰমেশ চন্দ্ৰ গোস্বামী

**খণ্ড ১২ ঃ বিকল্প শক্তিৰ সন্ধানত** (মূল লেখনীৰ পৰা যৎ সামান্য অভাস লোৱা হৈছে)

চৰিত্ৰ সমূহ ঃ
১. মাক (৪৫)
২. বাবলু (৮-৯) -- স্কুলত পঢ়ে
৩. মাইনু (১৪-১৫) -- বাবলুৰ বায়েক, স্কুলত
৪. মোমায়েক সুমন্ত (৩২) -- পদাৰ্থ বিজ্ঞানৰ অধ্যাপক
(পাণীৰ মটৰ চলি আছে, overfolow কৰিছে। বাবলুৱে, মাইনুৱে কথা পাতি ব্যস্ত হৈ আছে।)

**মাকঃ** অ'ই মাইনু, বাবলু - কেনি গ'লি অ' তহঁত
**দুয়োঃ** ইয়াতে আছোঁ মা, ড্ৰইং ৰুমত।
**মাকঃ** কি কৰ তহঁতে, দেখা নাই পাণীযে -- বন্ধকৰ মটৰটো।
**মাইনুঃ** এয়া কৰিলোঁ মা।
**মাকঃ** তহঁতৰ কাণত পৰা নাইনে পাণীযে অভাৰফ্ল কৰি আছে? স্কুল বন্ধ বুলি ইয়াতে থাকিও ...
(কলিং বে'ল বাজে)
**বাবলুঃ** (দুৱাৰ খোলাৰ শব্দ) বাঃ মামা আহিছে।
মাইনুবা' চাহিচোন কোন আহিছে।
**মাইনুঃ** বাঃ কি মজাৰ কথা। আহা মামা, সোমাই আহা।
**মামাঃ** চাঁও, ফেনখন চলাই দিয়া। গৰমটো যাঁও যাঁও কৈ যোৱাই নাইহে। (অলপ ৰৈ) পিছে সৌ তাৰ পৰাইচোন শুনিছোঁ কিবা গোলমাল, মাৰাই বকিছে হবলা?
**মাকঃ** অ' সুমন্ত বহ। আহিবি বুলি ভাবিছিলোঁৱেই।
**মামাঃ** এঁওলোকক কিবা বকিছ নেকি অ' বাইদেউ?
**মাকঃ** কিয় নবকিম অ' -- পাণীৰ টেংকি অভাৰফ্ল' কৰি কিমান পাণী গ'ল। ছুইচটো কাযৰ ৰুমতে আছে, ইহঁতৰ খবৰ নাই।
**মামাঃ** অ' তোমালোকে --

**দুয়োঃ** নহয় মামা, আমি (দুয়ো ৰৈ যায়)

**মাইনুঃ** আমি এটা বিজ্ঞানৰ আৰ্হি বনাব খুজিছোঁ। স্কুলত অহা মাহত এখন প্ৰদৰ্শণী হ'ব। তাতে দেখুৱাম।

**দুয়োঃ** আমি দুয়ো একেলগে।

**মাইনুঃ** তাৰে কথা আলোচনা কৰি আছিঁলো। মনেই নকৰিলোঁ পাণীৰ মটৰৰ কথা।

**মাকঃ** হ'লেওতো --

**মামাঃ** যি নহওক দিয়া, ভাল কামতে লাগিছা। তথাপি এনেবোৰ কথাও চাব লাগে। পিছে, তোমালোকে কি ধৰণৰ আৰ্হিৰ কথা ভাবিছা?

**মাইনুঃ** আমি, গ্ৰিন বিল্ডিং এটাৰ আৰ্হি বনাব খুজিছোঁ।

**বাবলুঃ** মানে সেউজ অট্টালিকাৰ --

**মামাঃ** সুন্দৰ, সুন্দৰ চিন্তা। কামত লাগি যোৱা।

**মাকঃ** মই পিছে গ্ৰীন বিল্ডং কি বুজিব পৰা নাই অ' সুমন্ত।

**মামাঃ** গ্ৰিন বিল্ডিং এনেকুৱা যে ই কোনো ধৰণে পৰিৱেশ নষ্ট নকৰে।

**বাবলুঃ** কোনো ধৰণে প্ৰদূষণ সৃষ্টি নকৰে।

**মাইনুঃ** বিজুলী শক্তিৰো অপচয় নঘটায়।

**বাবলুঃ** ঘৰটোত সৌৰ শক্তি ব্যৱাহাৰ কৰা হ'ব।

**মাকঃ** এৰাতো, ভাল কথাই হ'ব। পিছে মইতো একো দেখুৱাই দিব নোৱাঁৰো। বাৰু ভাইটি, তই ইলেকট্ৰিকেল ইঞ্জিনিয়াৰ যেতিয়া তয়েই সহায় কৰিবি অ'।

**মামাঃ** কামটো আৰম্ভ কৰাৰ আগতে তোমালোকে অলপ কথা জানি-বুজি লোৱা ভাল।

**দুয়োঃ** হয় মামা।

**মাকঃ** মোৰো শুনিবৰ মন গৈছে অ'। এই আহি আছোঁ। ফেন কেইখন চলাই থৈছিলোঁ -- মজিয়া শুকাবৰ বাবে। বন্ধ কৰি আহি আছোঁ, ৰ'বি।

**বাবলুঃ** সাউতকৰে আহিবা মা --

**মাইনুঃ** মামা আৰম্ভ কৰি দিয়া।

**মামাঃ** ৰ'বা, মাৰা আহি লওঁক, একেলগে ক'ম।

**মাকঃ** এয়া আহি গ'লোঁ। ক'ব পাৰ এতিয়া।

**মামাঃ** বাৰু, বাবলু আৰু মাইনু, কোৱাচোন মাৰাই কেলেই ফেনবোৰ বন্ধ কৰিবলৈ গৈছিল --

**বাবলুঃ** ফেনবোৰ চলি থাকিলে কাৰেন্টৰ বিল বেছি উঠিব যে --

**মাইনুঃ** অযথানো কিয় খৰচ কৰিব লাগে। যেতিয়া দৰকাৰ তেতিয়াহে খৰচ কৰিব লাগে।

**মামাঃ** এৰা, দুয়োটাই শুদ্ধ। বেছিকৈ বিল উঠিলে বাৰু পইছা ভৰিলা। কিন্তু বিজুলী শক্তি খিনি এনেয়ে নগ'লনে? মানে শক্তিৰ অপচয় নহ'লনে।

**মাকঃ** পাণীৰ মটৰটো এনেয়ে চলি থাকিলেও শক্তিৰ অপচয় নহ'বনে? তাৰতো পাৱাৰ আৰুহে বেছি।

**মামাঃ** ঠিক কথা। ভাবি চোৱাচোন, অকল আমিয়ে যদি অলপ বিজুলী শক্তি অপচয় কৰোঁ বেছি কথা নাছিল। কিন্তু দেশখনত কিমান কোটি মানুহ আছে। আটায়ে যদি এনেদৰে শক্তি অপচয় কৰে কিমান অপচয় হ'ব?

**মাইনুঃ** হয় মামা, সাংঘাতিক কথা হ'ব।

**মামাঃ** শক্তি থাউকতেতো পোৱা নাযায়। শক্তি উৎপাদনৰ ক্ষেত্ৰত ভাৰতৰ স্থান পৃথিৱীত পঞ্চম। ইমান খিনি শক্তি উৎপাদন কৰিবলৈ কেবা নিযুত টন কয়লা খৰছ কৰিব লগা হৈছে। তাৰ ফলত হাজাৰ হাজাৰ টন কাৰ্বন বায়ুমণ্ডললৈ গৈ আছে।

**বাবলুঃ** কয়মাৰ ধোঁৱাই বায়ুমণ্ডলত প্ৰদূষণ ঘটাব।

**মামাঃ** এৰা, ঠিকেই। (অলপ ৰৈ) শক্তি উৎপাদন কৰিবলৈ উৎপাদন কেন্দ্ৰ থাকে। তালৈ কয়লা আনিব লাগিব।

**বাবলুঃ** ক'ৰ পৰা মামা?

**মামাঃ** কয়লা খনিৰ পৰাও আনিব পাৰে নতুবা আন কোনো কয়লা মজুত ৰখা ঠাইৰ পৰাও আনিব পাৰে।

**মাকঃ** ট্ৰাকত আনিব।

**মামাঃ** স্বাভাৱিক, ট্ৰাক লাগিবই। ট্ৰাকে ডিজেল পুৰি প্ৰদূষণ ঘটাব।

**বাবলুঃ** মানে প্ৰদূষণ বাঢ়িব। পৰিৱেশ নষ্ট হ'ব।

**মাইনুঃ** পৰিৱেশতো ইতিমধ্যে বহু নষ্ট হৈছে। কিন্তু ইমানেই যথেষ্ট নহয়, আৰু বেছি নষ্ট হ'ব।

**বাবলুঃ** হ'ব মানে আমাৰ ভৱিষ্যত বেয়া।

**মাকঃ** তহঁতে কথা কৈ থকাতকৈ মামাৰই কি কয় শুনচোন।

**মামাঃ** বাৰু কোৱাচোন তোমালোকে পঢ়িবলৈ পাইছানে যে আমাৰ পৃথিৱীখন ক্ৰমে গৰম হৈ আহিছে?

**বাবলুঃ** মানে গোলকীয় উষ তা বৃদ্ধিৰ কথা কৈছে নহয় মামা?

**মামাঃ** এৰা, তাৰ কথাই কৈছোঁ। উষ তা বৃদ্ধি কৰে গ্ৰিনহাউছ গেছবোৰে!

**মাকঃ** গ্ৰিনহাউছ গেছ, গ্ৰিনহাউছ গেছ!

**মাইনুঃ** কাৰ্বন - ডাই-অকসাইড, মিথেন, অ'জ'ন, জলীয় বাষ্প - এইবোৰেই আৰু মা।

**মামাঃ** হয়, এইবোৰেই গ্ৰিনহাউছ গেছ। অৱশ্যে নাইট্ৰাছ অ'কসাইডো এবিধ।
এইবোৰৰ ভিতৰৰ কাৰ্বন ডাই-অ'কসাইড আটাইতকৈ গুৰুত্বপূৰ্ণ।

**মাইনুঃ** জলীয়বাষ্পৰো প্ৰাকৃতিক ভাৱেই থাকিব।

**মামাঃ** ঠিক কৈছা। জলীয়বাষ্পক সুকীয়াকৈ এৰিলে, কাৰ্বন ডাই-অকসাইড গেছ আনবোৰতকৈ বেছি গুৰুত্বপূৰ্ণ। যি নহওক, এই গেছবোৰ ওপৰলৈ গৈ বায়ুমণ্ডলত এটা আৱৰণ সৃষ্টি কৰিছে। তাৰ ফলত কি হৈছে - পৃথিৱীৰ পৰা ওলাই যোৱা তাপ সেই আৱৰণ পাৰ হৈ যাব নোৱাৰা হয়।

**বাবলুঃ** বুজিলোঁ, সেই তাপ পুনৰ উভতি আহিব। নহয়নে মামা?

**মামাঃ** সেয়াই। তাৰ ফলত লাহে লাহে উষ তা বৃদ্ধি পাইছে। পৃথিৱীৰ সামগ্ৰিক উষ্ণতা বৃদ্ধি

পাইছে।
**মাকঃ** এনে উষ্ণতা বৃদ্ধি হ'লেনো কি হ'ব অ'?
**মামাঃ** আমাৰ পৰিথিৰী খনৰ জলবায়ু সলনি হ'ব। তেতিয়া খেতি-বাতিৰ ওপৰত, মানুহৰ স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পৰিব।
**মাকঃ** সেইটো চাগে' ভাল নহয়। সেইবাবে বিজ্ঞানী আৰু পৃথিৱীৰ নেতাসকলে চিন্তা- চৰ্চচা আৰম্ভ কৰিছে।
**মামাঃ** হয় হয়। এই গোটেই অৱস্থাটোৰ, মানে জলবায়ু পৰিৱৰ্তনৰ, বা মূলতে পৃথিৱীৰ সামগ্ৰিক উষ্ণতা বৃদ্ধিৰ ক্ষেত্ৰত ঘাইকৈ দায়ী কাৰ্বন ডাই-অ'কসাইড।
**বাবলুঃ** কাৰ্বন ডাই-অ'কসাইড কমাই পেলালেইটো হয়।
**মাইনুঃ** মুখৰ কথা বুলি ভাবিছ?
**মামাঃ** এই গেছবিধ কমাবলৈ গোটেই পৃথিৱীয়ে চেষ্টা চলাই আছে। বিভিন্ন প্ৰযুক্তিৰ চিন্তা কৰিছে, বিধি -বিধান সৃষ্টি কৰিছে।
**মাকঃ** শক্তি উৎপাদন, বিজুলি শক্তিৰ ব্যৱহাৰ -
**মামাঃ** ঠিকেই ধৰিছ বাইদেউ, কাৰ্বন ডাই-অকসাইডৰ উৎপাদন বিজুলিশক্তিৰ ব্যৱহাৰৰ লগত, গাড়ীমটৰ চলাচল আদিৰ লগত জড়িত।
**মাইনুঃ** গতিকে কাৰ্বন ডাই - অ'কসাইড উৎপাদন নিয়ন্ত্ৰণ কৰিবই লাগিব, নহয় মামা?
**মামাঃ** হয়। অন্যথাই আমাৰ সকলোৰে ভৱিষ্যত অন্ধকাৰ হৈ পৰিব। মানুহ জাতিটো বাচি থকাই টান হ'ব।
**বাবলুঃ** মামা --
**মামাঃ** কোৱা বাবলু
**বাবলুঃ** আমাৰ আৰ্হিটোও তাৰেই অংগ নহ'বনে?
**মাই নুঃ** মানে কাৰ্বন ডাই-অ'কসাইড নিয়ন্ত্ৰণৰ?
**মামাঃ** হয়, দেখাত সৰু যেন লাগিলেও গ্ৰিন বিল্ডিঙো কাৰ্বন নিয়ন্ত্ৰণৰ এটা প্ৰচেষ্টা। কিয়নো তোমালোকে সৌৰ শক্তিহে ব্যৱহাৰ কৰিব খুজিছা। নহয়নে?
**দুয়োঃ** হয়।
**মাকঃ** এৰা অ', বনাই উলিয়াব পাৰিলে আৰ্হিটো মজাৰ হ'ব বুইছ। (অলপ ৰৈ) বাৰু, তহঁতে মামাৰৰ পৰামৰ্শ ল, মই ব্ৰেকফাষ্টৰ কাম কৰোঁগৈ। পাছত আকৌ আহিম।

(আটায়ে হাঁহে)

**মামাঃ** হ'ব বাইদেউ। ... অ' হেৰি নহয়, দেউতাৰা ক'ত?
**দুয়োঃ** চাইকেল ভাল কৰিবলৈ গৈছে।
**মামাঃ** সুন্দৰ। চাইকেল চলোৱাটো যথেষ্ট ভাল কথা। প্ৰথম কথা, চাইকেল চলালে বিশেষকৈ ভৰিৰ মাংসপেশীবোৰৰ ব্যায়াম হয়। গতিকে সেইবোৰ মজবুত হয়। দ্বিতীয়তে --
**বাবলুঃ** গাড়ীত যিদৰে ইন্ধন পুৰিব লাগে, চাইকেলত নালাগে।

**মাইনুঃ** তাৰ মানে ই প্ৰদূষণ সৃষ্টি নকৰে।

**বাবলুঃ** আৰু এটা কথা মামা, পইচাও বাচিব।

**মামাঃ** বাঃ, তোমালোকে ইন্ধন ৰাহি কৰাৰ কথাও বুজিব পাৰিছা। গতিকে বুজি পালোঁ, তোমালোকে নিজৰ আৰ্হিটোৰ লক্ষ্য আৰু উদ্দেশ্য বুজি পাইছা। বাৰু, আমি আমাৰ আলোচনালৈ আকৌ উভতি আহোঁহক

**দুয়োঃ** হয় মামা।

**বাবলুঃ** মানে মামা, ইন্ধন ৰাহি কৰাৰ আলোচনা নহয়নে?

**মাইনুঃ** লগতে প্ৰদূষণ কমাই পৰিৱেশ নিকা কৰাতো।

**মামাঃ** দুয়োটাই হয়। দুয়োটাই তোমালোকৰ গ্ৰিন বিল্ডিঙৰ বৈশিষ্ট্য। (অলপ ৰৈ) বাৰু, পোনতে তোমালোকে কোৱাচোন জীৱাশ্ম ইন্ধন কোনবোৰ?

**বাবলুঃ** কয়লা আৰু পেট্ৰ'লিয়াম।

**মাইনুঃ** মামা, আৰু এবিধ আছে - প্ৰাকৃতিক গেছ।

**মামাঃ** কয়লা আৰু পেট্ৰ'লিয়াম ক'ত কেনেকৈ ব্যৱহাৰ হয় তমালোকে কিছু হ'লেও জানা। নহয়নে?

**বাবলুঃ** বহুতো গাড়ীত পেট্ৰল ব্যৱহাৰ কৰে।

**মাইনুঃ** অন্য বহুতো ইঞ্জিনো আছে যত পেট্ৰল ব্যৱহাৰ কৰা হয়।

**বাবলুঃ** ডাঙৰ ডাঙৰ গাড়ীবোৰত ডিজেলহে ব্যৱহাৰ কৰে দেখোন?

**মামাঃ** এৰা, ডিজেলো এবিধ জীৱাশ ইন্ধন। ইয়াকো পেট্ৰলিয়ামৰ পৰা আহৰণ কৰা হয়। এই তেলটো পেট্ৰলতকৈ গধুৰ।

**বাবলুঃ** ডিজেল গাড়ীবোৰৰ পৰা বেছিকৈ ধোঁৱা উলোৱা দেখিছোঁ মামা।

**মামাঃ** সেই ধোঁৱাই বায়ুমণ্ডলৰ প্ৰদূষণ বঢ়াই। নিতৌ পৃথিৱীত কিমানযে কোটি কোটি লিটাৰ পেট্ৰল আৰু ডিজেল ব্যয় কৰে এই গাড়ীবোৰে তাৰ হিচাপ নাই।

**মাইনুঃ** সেইমতে প্ৰদূষকো প্ৰচুৰ মানে ওলাব।

**মামাঃ** প্ৰদূষণৰ কথাটোতো আছেই, তাৰ উপৰিও আন এটা কথা আছে ঃ পেট্ৰল, ডিজেল নতুবা কয়লা এইবোৰ ৱহাৰ কৰিব পৰা অবস্থালৈ আনিবৰ কাৰনে বিভিন্ন যন্ত্ৰপাতি চলাব লগা হয়। তাকে কৰিবলৈ যাওঁতেও শক্তি ব্যয় কৰিব লাগে। বিশেষকৈ বিজুলি শক্তিৰ।

**মাইনুঃ** মানে মামা, বিজুলি শক্তি পাবলৈও জীৱাশ্ম ইন্ধন লাগে আৰু জীৱাশ্ম ইন্ধন লাভ কৰিবলৈও বিজুলি শক্তি লাগে।

**মামাঃ** কিন্তু জীৱাশ্ম ইন্ধনে পোনে পোনে প্ৰদূষণ বঢ়াই। সেইবাবে বৰ্তমান সময়ত শক্তিৰ বিকল উৎসবোৰ ব্যৱহাৰ কৰিবলৈ লোৱা হৈছে।

**মাইনুঃ** হয় মামা, বিকল উৎসৰ বিষয়ে আমাৰ স্কুলীয়া পাঠ্যপুথিতো পাইছো।

**মামাঃ** বিকল উৎসৰ বিষয়ে যোৱা শতিকাৰ মাজমানৰ পৰাই চিন্তা - চৰ্চচা আৰম্ভ হৈছিল। পিছে যিকোনো উৎসই গ্ৰহণযোগ্য বিকল নহয়। বিকল সমূহ এনেকুৱা হ'ব লাগিব যাতে সেইবোৰে

পুনৰ পৰিৱেশৰ প্ৰদূষণ নঘটায়। লগতে সেইবোৰ বাৰে বাৰে ব্যৱহাৰ কৰি থকা ধৰণৰো হ'ব লাগিব।

**বাবলুঃ** মামা, সূৰ্য্য তেনেকুৱা এটা উৎস হ'ব।

**মামাঃ** ঠিক কৈছা। সূৰ্য্য অতি গুৰুত্বপূৰ্ণ উৎস। চাবলৈ গ'লে সূৰ্য্যৰ পৰাইতো সকলো ধৰণৰ উৎসৰ জন্ম হৈছে।

**মাইনুঃ** বতাহৰ শক্তি বা বাতশক্তি আৰু ভূতাপীয় শক্তিও তেনেকুৱাই উৎস মামা।

**মামাঃ** আৰু আছে বুইছা -- সাগৰৰ জোৱাৰ - ভাটাৰ পৰা পোৱা শক্তিও আন এবিধ। তদুপৰি বৰ্তমান সময়ত জৈৱিক ইন্ধনো ব্যৱহাৰ কৰা হয়।

**বাবলুঃ** ইমানবোৰ উৎস আছে, তথাপিচোন আমাৰ বিদ্যুতৰ নাটনি। গাঁও অঞ্চলৰ বহুততে বিদ্যুত নায়েই।

**মামাঃ** অৰা, বিদ্যুতৰ নাটনি সত্বেও ৰাষ্ট্ৰসংঘই এটা ডাঙৰ আচঁনি লৈছে।

**বাবলুঃ** কি আচঁনি মামা ?

**মামাঃ** ৰাষ্ট্ৰসংঘই ২০৩০ চনৰ ভিতৰত পৃথিৱীৰ সকলো মানুহকে প্ৰদূষণ নোহোৱাকৈ শক্তিৰ যোগান ধৰিবলৈ আচঁনি গ্ৰহন কৰিছে। সেই শক্তিৰ মূল্যও হ'ব কম।

**মাকঃ** এয়া মই আহি গ'লো।

**দুয়োঃ** মা, ব্ৰেকফাষ্ট ৰেডি হ'লেই নেকি ?

**মাকঃ** নাই, অলপ আগবঢ়াই থৈ আহিলোঁ। কথাবোৰ ময়ো অলপ শুনোচোন।

**মামাঃ** এৰা, তহঁতেও জানিব লাগে। পাগঘৰতো ইন্ধন ৰাহি কৰিব পাৰি।

**মাকঃ** বিশেকৈ গেছৰ নহয়নে ?

**মামাঃ** হয়, গেছ ৰাহি কৰিব পাৰি। বিজুলীও পাৰি।

**মাকঃ** গৰমৰ দিনত পাণী ৰ'দত থাকিলেতো গেছ এনেয়ে কম খৰচ হ'ব --

**মামাঃ** হাঁ তই ঠিক প্ৰসংগলৈয়ে আনিছ। সূৰ্য্যৰ তাপ = মানে সৌৰশক্তি এটা সুবিধাজনক উপায়।

**মাইনুঃ** আমিয়ে যোৱাবেলি পূজাৰ সময়ত দক্ষিণ ভাৰতলৈ গৈছিলোঁ...

**বাবলুঃ** মনত পৰিছে, মনত পৰিছে, আমি বহুতো বিল্ডিঙৰ ওপৰত শাৰী শাৰীকৈ কিবা বহুৱাই থোৱা দেখিছিলোঁ।

**মাইনুঃ** সেইবোৰ ছ'লাৰ পেনেল।

**মামাঃ** সেইবোৰে সূৰ্য্যৰ শক্তি ধৰি ৰাখি তাৰ পৰা বিজুলি শক্তি পাব পৰা কৰে। সেই বিজুলীৰে লাইট জ্বলোৱা, ফান চলোৱা, এছি চলোৱা আদি বহুতো কাম কৰিব পৰা গৈছে।

**বাবলুঃ** আৰু যে মা মুকলত প্ৰকাণ্ড প্ৰকাণ্ড ফেন ঘুৰি থকা দেখিছিলোঁ।

**মামাঃ** সেইবোৰ আচলতে বায়ুকল। বতাহৰ শক্তিৰ দ্বাৰা ঘুৰে।

**বাবলুঃ** এইটো আকৌ কি ধৰণৰ কথা -- ফেনে আমাক বতাহ দিয়ে; এই ফেনকচোন বতাহ দিবহে লাগে।

**মামাঃ** তুমি বুজা নাই। বতাহৰ সোঁতে ফেনখন ঘুৰালে ফেনখনে ঘুৰণ শক্তি পালে। সেই ঘুৰণ

শক্তিৰ পৰা ফেনৰ লগত থকা যন্ত্ৰ - পাতিয়ে বিজুলী শক্তি উৎপন্ন কৰে।

**বাবলুঃ** হুঁ, ফেনখন বতাহে ঘুৰায় কাৰণে এইদৰে পোৱা শক্তিক বাতশক্তি বোলা হয়। বুজিলোঁ।

**মাইনুঃ** ইয়াতো জীৱাশ্ম ইন্ধন পোৱাৰ দৰকাৰ নাই। মানে ই নিকা শক্তি দিয়ে।

**মাকঃ** বিনামূলীয়াকৈও পোৱা যায়, নহয়নে ভাইটি।

**মামাঃ** অঁ ধৰ বিনামূলীয়াই। যন্ত্ৰ - পাতিৰ খৰচতো থাকিবই দেচোন। পিছে তেনেদৰে পোৱা শক্তিৰ ওপৰত বৰ ভৰসা কৰিব নোৱাৰি।

**বাবলুঃ** বতাহ নাথাকিলে খেলা খতম।

**মাইনুঃ** বতাহ যদি বেগেৰে বৈ নাথাকে, বিজুলী উৎপাদণত অসুবিধা হ'ব। নহয়নে মামা?

**মামাঃ** বুজিলোঁ, তোমালোকে কথাবোৰ ধুনীয়াকৈ বুজিব পাৰিছা। জানি থোৱা, যিবোৰ দেশে পাৰিছে, সকলোৰে সৌৰশক্তি, বাতশক্তি, আনকি সাগৰীয় শক্তিকো কামত খটুৱাই আছে।

**মাকঃ** এইবোৰ উৎসতো জীৱাশ্ম ইন্ধণৰ উৎসৰ দৰে শেষ হৈ নাযায়, সেয়েই ভাল।

**মামাঃ** হয়, বাইদেউ। সেইবোৰ বাৰে বাৰে ব্যৱহাৰ কৰি থাকিব পাৰি। এটা সমীক্ষাত পোৱা গৈছে, ২০১৬ চনত পৃথিৱীত যিমানখিনি শক্তি ব্যৱহাৰ হৈছিল তাৰ ১৫ শতাংশ এনেবোৰ পুনৰনৱীকৰণযোগ্য উৎসৰ পৰাই পোৱা গৈছিল।

**মাইনুঃ** মামা, ভাৰতত সৌৰশক্তি আৰু বাতশক্তিৰ ব্যৱহাৰ সন্তোষজনক হয়নে?

**মামাঃ** নিশ্চয়। সৌৰশক্তি ব্যৱহাৰত ভাৰতৰ স্থান পৃথিৱীৰ ভতৰত তৃতীয়, আৰু বাতশক্তিত চতুৰ্থ।

**বাবলুঃ** মামা, সগৰৰ পৰানো কেনেদৰে শক্তি পাব পৰা যায়?

**মামাঃ** তোমালোকে নিশ্চয় জানা যে সগৰত জোৱাৰ - ভাটা হয়। জোৱাৰত সিগৰৰ পিঠি ওফন্দি উঠে, ভাটাত নামি যায়।

**দুয়োঃ** হয় মামা।

**মামাঃ** আৰু হয়তো জানাযে জেনেৰেটৰ নামৰ যন্ত্ৰই বিজুলীশক্তি উৎপাদন কৰে।

**দুয়োঃ** হয়।

**মামাঃ** জেনেৰেটৰত এটা টা ৰবাইন ঘূৰিলেহে বিজুলী উৎপন্ন হ'ব পাৰে। জোৱাৰ আৰু ভাটা, এই দুয়োটা অৱস্থাই টাৰবাইনটো ঘূৰায়।

**বাবলুঃ** জোৱাৰ - ভাটাতো সকলো সময়তে নাথাকে।

**মাকঃ** যেতিয়া নাথাকে, তেতিয়া বিজুলী উৎপাদন হ'বই নোৱাৰে।

**মাইনুঃ** গতিকে জোৱাৰ - ভাটাৰ শক্তিও বৰ সুবিধাৰ শক্তি নহয়।

**মাকঃ** তথাপিতো ই বিনামূলীয়া নহয়নে? সেয়াই লাভ।

**মামাঃ** লগতে ই পৰিৱেশৰ ওপৰতো কোনো কুপ্ৰভাৱ নেপেলায়। ইও আন এটা লাভ। (অলপকৈ) সাগৰৰ পৰা আৰু দুটামান উপায়ে শক্তি আহৰণ কৰিব পাৰি। এটা কৌশলৰ নাম দিয়া হৈছে অ'টেক। ইংৰাজীত Ocean Thermal Energy Technology.

**মাইনুঃ** তাপৰ লগত কিবা সম্বন্ধ আছে হ'বলা।

**মামাঃ** হয়। সগৰৰ পিঠিভাগৰ পাণীৰ উষ্ণতা যিমান, তলৰ ফাললৈ তাতকৈ ---

**বাবলুঃ** কম।

**মামাঃ** এই উষ্ণতাৰ পাৰ্থক্যৰ সহায়ত শক্তি য়ৎপাদন কৰা হয়। এয়া অ'টেকৰ মূলনীতি। এনেদৰে ভূতাপ শক্তিৰ পৰিমানো বেছি নহয়।

**মাকঃ** হ'লেওতো আমাৰ কয়লা, পেট্ৰ'লিয়াম কিছু বাচি যাব।

**বাবলুঃ** এনে বিশেষ উৎসবোৰৰ ভিতৰত কোনটো আটাইতকৈ ভাল মামা?

**মাইনুঃ** সৌৰশক্তি আক'।

**মামাঃ** একেবাৰে সঁচা। কিন্তু কিয়, ক'ব পাৰানে?

**মাইনুঃ** সৌৰশক্তিৰ ভঁৰাল অফুৰন্ত, মানে ই শেষ হৈ নাযায়। আহৰণ কৰিবলৈকো সহজ।

**বাবলুঃ** ই পৰিৰেশত প্ৰদূষণ সৃষ্টি নকৰে।

**মাকঃ** জীৱাশ্ম ইন্ধনৰ নিচিনাকৈ সৌৰশক্তি ৰাহি কৰাৰ প্ৰয়োজন নাই।

**মামাঃ** আটাইকেইটা কথাই সঁচা। কথা এটা জনা ভাল -- আমাৰ ভাৰতে ৩২ হাজাৰ মেগাৱাট উৎপাদন কৰে। ২০২২ চনৰ ভিতৰত এই পৰিমাণ ১৭৫ হাজাৰ মেগাৱাটলৈ বৃদ্ধি কৰিবৰ আঁচনি লৈছে। মাইনু হিচাপ কৰাচোন কিমান গুন বৃদ্ধি হ'ব।

**মাইনুঃ** (অলপ ভবা দেখুৱাব) প্ৰায় চাৰে পাঁচ গুণ।

**মামাঃ** এই ১৭৫ হাজাৰ মেগাৱাটৰ ১০০ হাজাৰ মেগাৱাট অকল সৌৰশক্তিৰ পৰাই পোৱা যাব।

**বাবলুঃ** বতাহৰ শক্তিৰে মামা?

**মামাঃ** বতাহৰ শক্তিৰ পৰা পোৱা যাব ৬০ হাজাৰ মেগাৱাট।

**মাইনুঃ** ডাঙৰ মহানগৰবোৰত বোলে পেলনীয়া আৱৰ্জনাৰ পৰাও বিজুলী উৎপাদন কৰে মামা?

**মামাঃ** কৰে। সৰু সৰু চহৰত গোবৰ গেছৰ পৰাও বিজুলীবাতি জ্বলোৱা দেখিছোঁ।

**মাকঃ** ইমান চেষ্টা কৰা সত্বেও বিদ্যুতৰ অভাৱ কিয় নকমে অ' ভাইটি?

**মামাঃ** কি কৈছ? যোৱাবেলিযে আমি দিল্লীৰ ওচৰে - পাজৰে ফুৰিছিলোঁ --

**মাকঃ** হয়।

**মামাঃ** তাত কিছুমান অঞ্চলত কিমান বিভিন্ন উদ্যোগ - কাৰখানা দেখিছিলোঁ মনত আছেনে? তেনেকুৱা সৰু - ডাঙৰ উদ্যোগ গোটেই দেশত লাখ লাখ আছে। সেইবোৰ চলিবলৈ কম বিজুলী শক্তি লাগিবনে?

**মাইনুঃ** উদ্যোগবোৰ নহ'লেওতো নচলে।

**মামাঃ** নচলে। উদ্যোগেহে দেশ একোখনৰ উন্নয়ন সম্ভৱ কৰে। লাগিলে প্ৰদূষণেই ঘটাওক। অৱশ্যে প্ৰদূষণৰ পৰিমান নিয়ন্ত্ৰণ কৰিহে আজি কালি উদ্যোগ স্থাপন কৰিবলৈ দিয়া হয়।

**মাইনুঃ** আমি বিলাসিতা এৰিলেও ক্ষতি নাই, কিন্তু উদ্যোগ গঢ়ি উঠিবলৈ দিবই লাগিব।

**মাকঃ** বুজিলোঁ, আটা - ময়দা আদি প্ৰস্তুত কৰা ক্ষুদ্ৰ উদ্যোগ আমি দেখিয়েই আঁছো।

**বাবলুঃ** আমিযে মা বজাৰত মেচিনত ঘেঁহু গুড়ি কৰা দেখিছিলোঁ -- দীঘলীয়া বেল্ট এডালেৰে

মেচিন ঘূৰাই আছিল মানুহ এজনে --
**মাকঃ** সেই মেচিনো ঘুৰাইছে বিদ্যুতেহে।
**মামাঃ** এৰা, লাগিলে বিদ্যুত য'ৰপৰাই নলওক।
**মাইনুঃ** মুঠতে বিজুলী নহ'লে উদ্যোগ নচলেই।
**মামাঃ** উদ্যোগবোৰ এতিয়াতো বাঢ়িহে গৈছে। গতিকে স্বভাৱিকতে বিজুলীশক্তিৰ চাহিদাও বাঢ়ি গৈছে। এই চাহিদা কমাৰ সম্ভাৱনা নায়েই বুলিব পাৰি।
**মাকঃ** হয় হয়। উদ্যোগৰ উপৰিওতো অন্য বহু কাম আছে। সেইবোৰতো বিজুলী নহ'লে নচলে।
**মামাঃ** পিছে বাইদেউ, তোৰ পাগঘৰৰ উদ্যোগটো ?

(আটায়ে হাঁহে)

**মাকঃ** হ'ব হ'ব। বেছি সময় নালাগে ভাইটি।
**মামাঃ** কি শুৱাবি আমাক ?
**বাবলুঃ** অমলেট, আৰু মা ?
**মাকঃ** আলুপৰঠা, আৰু কৰ্ণফ্লেক্স (cornflakes)।
**মামাঃ** বাঃ বঢ়িয়া হ'ব। এইযে cornflakes, আটা বা ময়দা, এইবোৰো উদ্যোগৰে অৱদান নহয়নে ?
**দুয়োঃ** হয়।
**মাকঃ** তেনেহ'লে মই ব্ৰেকফাষ্ট সাজু কৰোগৈ।
**মামাঃ** ব্ৰেকফাষ্ট কৰি মই যামগৈ দেই। তোমালোকে গ্ৰিনবিল্ডিঙৰ আৰ্হিটো সাজি উলিয়াবা। সেইটো সাজি দেখুৱালে মানুহে  বুজিব যে --
**বাবলুঃ** বুজিব কি জানা মামা, বুজিব যে ইহঁতৰ মোমায়েক ইঞ্জিনিয়াৰ। মোমায়েকে ইহঁতক বাৰুকৈ গাইড কৰিছে।
**মামাঃ** আঃ, মই সেইটো ক'ব খোজা নাই। মানুহে বুজিব, এনে বিল্ডিং এদিন সঁচাকৈয়ে গঢ়ি উঠিব। তেতিয়া  পৃথিৱীৰ পৰিৱেশৰ যথেষ্ট লাভ হ'ব।
**মাইনুঃ** আমাৰ  আৰ্হিটো মামা, আমি বনামেই। ইতিমধ্যে বাহঁৰ টুকুৰা, থাৰ্ম'কল, আঠা আদি যোগাৰ কৰিলোঁৱেই।
**বাবলুঃ** দৰকাৰ হ'লেই আমি মামাৰ সহায় বিচাৰিম।
**মামাঃ** হব হ'ব, লাগিলেই ক'বা। তোমালোকে বুজিছা, পৃথিৱীখন ভয়ংকৰ ভৱিষ্যতৰ সমুখীন হৈছে। তেনে বিপদৰ পৰা পৃথিৱীক ৰক্ষা কৰাৰ দায়িত্ব তোমালোকৰ দৰে নতুন প্ৰজন্মই ল'ব লাগিব।
**মাকঃ** বাবলু, অ,মা। মাইনু -- মামাৰক লৈ আহ।

**দুয়োঃ** গৈছোঁ মা, গৈ আছোঁ।

**প্ৰশ্নঃ**

১. পৃথিৱীৰ সামগ্ৰিক উষ্ণতা বৃদ্ধিৰ বাবে ঘাইকৈ দায়ী গেছ কোনটো?

উত্তৰ -- কাৰ্বন ডাই-অকসাইড

২. জীৱাশ্ম ইন্ধন কি কি?

উত্তৰ -- কয়লা, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ।

---